জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৬৭/২০২২**

**তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদসমূহ পূৰণৰ বাবে মুখ্যমন্ত্ৰীৰ পৌৰোহিত্যত বৈঠক**

# অহা ৭ আগষ্টত চতুৰ্থ বৰ্গ আৰু অহা ২১ আগষ্টত তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হ'ব

**দিছপুৰ, ৯ জুন ঃ** অসম চৰকাৰৰ চতুৰ্থ আৰু তৃতীয় বৰ্গৰ খালী থকা পদসমূহ পূৰণৰ বাবে ৰাজ্য চৰকাৰে পৰীক্ষাৰ দিন নিৰ্দ্ধাৰণ কৰিছে। অহা ৭ আগষ্টত চতুৰ্থ বৰ্গ আৰু অহা ২১ আগষ্টত তৃতীয় বৰ্গৰ পদসমূহ পূৰণৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত তৃতীয় শ্ৰেণী আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

এই পৰীক্ষাৰ বাবে তৃতীয় বৰ্গৰ বাবে মুঠ ৬,৭১,৮০৫ গৰাকী আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে ৪,৪৩,৬৫৫ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে।

আনহাতে, তৃতীয় বৰ্গৰ অধীনত চালক পদৰ বাবে ৭৭,০৪৯ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে আৰু এই পদসমূহৰ বাবে সুকীয়াকৈ পৰীক্ষাৰ দিন ধাৰ্য কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলক সমগ্ৰ নিয়োগ প্ৰক্ৰিয়াটোত স্বচ্ছতা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। এই পৰীক্ষা নিখুঁতভাৱে সম্পাদন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেইবাটাও পৰামৰ্শ আগবঢ়ায়।

অঃহাঃ / পুঃডেঃ
**০৯/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in